পাঠ-১৮

# আমাৰ চুবুৰীয়া ৰাজ্যসমূহ

আমাৰ ভাৰতবৰ্ষ এখন বিশাল দেশ। বিশাল ভাৰতবৰ্ষৰ উত্তৰ-পূব অংশত আমাৰ অসম ৰাজ্যখন অৱস্থিত। অসমৰ কাষতে থকা আন কেইখন ৰাজ্য হ'ল— অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰা। এই কেইখন আমাৰ চুবুৰীয়া ৰাজ্য। অসমকে ধৰি এই সাতোখন ৰাজ্যক **সাতভনীৰ দেশ** বোলা হয়। ভাৰতৰ উত্তৰ-পূব ভাগত অৱস্থিত হোৱা বাবে এইকেইখন ৰাজ্যক একেলগে **'উত্তৰ-পূব ভাৰত'** বা **'উত্তৰ-পূৰ্বাঞ্চল'** বুলিও কোৱা হয়। বৰ্তমান উন্নয়ন পৰিকল্পনাৰ সুবিধাৰ্থে চিকিম ৰাজ্যকো উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰুৱা কৰা হৈছে।






**সিপিঠিৰি মানচিত্ৰ চাই উত্তৰ লিখা —**

- অৰুণাচল প্ৰদেশ অসমৰ কোন দিশত অৱস্থিত?
- অসমৰ দক্ষিণ দিশত থকা ৰাজ্যকেইখনৰ নাম কি কি?
- ব্ৰহ্মপুত্ৰ নৈখন ভাৰতৰ কোন কোন ৰাজ্যৰ মাজেদি বৈ গৈছে?
- উত্তৰ-পূব অঞ্চলৰ চাৰিসীমাত কি কি বিদেশী ৰাষ্ট্ৰ আছে?

উত্তৰ-পূব ভাৰতৰ উত্তৰ অংশ হিমালয় পৰ্বত, পূব আৰু দক্ষিণ অংশ পাটকাই আৰু নগা পাহাৰে আগুৰি আছে। এই অঞ্চলৰ উত্তৰ ফালে ভূটান, তিব্বত (চীন দেশৰ অংশ) আৰু পূব ফালে ম্যানমাৰ অৱস্থিত। দক্ষিণ আৰু পশ্চিম ফালে বাংলাদেশ অৱস্থিত।

আমাৰ দেশখন স্বাধীন হোৱাৰ আগতে উত্তৰ-পূব ভাৰতৰ প্ৰায়কেইখন ৰাজ্য অসমৰ লগত একেলগে আছিল। শাসনৰ সুবিধাৰ বাবে আৰু ভিন ভিন জনজাতিৰ নিজ নিজ সমাজৰ উন্নতিৰ বাবে এই ৰাজ্য কেইখন এসময়ত অসমৰ পৰা পৃথক হয়।

এসময়ত নাগালেণ্ড ৰাজ্যখন নগা পাহাৰ হিচাপে অসমৰ অংগ আছিল। ১৯৬৩ চনৰ ১ ডিচেম্বৰত ই নাগালেণ্ড নামেৰে এখন পূৰ্ণাংগ ৰাজ্য হিচাপে স্বীকৃতি পায়। ১৯৭০ চনলৈকে বৰ্তমানৰ মেঘালয় অসমৰ অংগ আছিল আৰু তেতিয়া অসমৰ ৰাজধানী আছিল ছিলং। ১৯৭২ চনত মেঘালয়ে পূৰ্ণাংগ ৰাজ্য হিচাপে স্বীকৃতি পায়। অসমৰ উত্তৰ ফালে থকা অৰুণাচল প্ৰদেশক আগতে উত্তৰ-পূব সীমান্ত অঞ্চল হিচাপে জনা গৈছিল আৰু ১৯৭২ চনত এই অঞ্চলটোৱে পৃথক ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰে।

**ৰাজধানীৰ সৈতে উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনৰ নাম জানি লওঁ আহা—**


| ৰাজ্য | ৰাজধানী |
|---|---|
| অসম | দিছপুৰ |
| অৰুণাচল প্ৰদেশ | ইটানগৰ |
| মণিপুৰ | ইম্ফল |
| মিজোৰাম | আইজল |
| মেঘালয় | ছিলং |
| নাগালেণ্ড | ক'হিমা |
| ত্ৰিপুৰা | আগৰতলা |

### উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভূ-প্ৰাকৃতিক বৈশিষ্ট্য—

উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনৰ প্ৰাকৃতিক সৌন্দৰ্য অতি মনোৰম। পৰ্বত-পাহাৰ, মালভূমি, সমভূমি, নদ-নদী, উপত্যকা, খাল-বিল, হ্ৰদ, চৰ-চাপৰি আদিৰে এই ৰাজ্যকেইখন পৰিপূৰ্ণ হৈ আছে। হাবি-বননিসমূহত নানা জীৱ-জন্তু আৰু চৰাই-চিৰিকটিও আছে।

- অৰুণাচল প্ৰদেশৰ উত্তৰ অঞ্চল হিমালয় পৰ্বতমালাই আগুৰি থকা বাবে ইয়াৰ উচ্চতা বেছি। ফলত এই অঞ্চলটো শীতকালত বৰফেৰে ঢাক খাই থাকে। নাগালেণ্ড ৰাজ্যও প্ৰধানকৈ পাহাৰীয়া। অসমৰ ডিমা হাছাও আৰু কাৰ্বি আংলং জিলা মূলতঃ পাহাৰীয়া। সেইদৰে মণিপুৰ ৰাজ্যত পাটকাই আৰু বৰাইল পাহাৰৰ অংশ, মিজোৰামত মিজো পাহাৰ আদি উচ্চভূমি আছে।
- উত্তৰ-পূব ভাৰতৰ সমভূমি অঞ্চলৰ ভিতৰত অসমৰ ব্ৰহ্মপুত্ৰ সমভূমি, বৰাক সমভূমি, মণিপুৰ সমভূমি আৰু পশ্চিম ত্ৰিপুৰা সমভূমিয়েই প্ৰধান।
- মেঘালয় মালভূমি আৰু অসমৰ কাৰ্বি মালভূমি হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ দুখন মালভূমি। ইয়াৰ ভিতৰত গাৰো, খাছী আৰু জয়ন্তীয়া পাহাৰ মেঘালয়ৰ অন্তৰ্ভুক্ত আৰু হামৰেণ পাহাৰ কাৰ্বি মালভূমিৰ অন্তৰ্গত।

মানচিত্ৰখন চাই কোন কোন ৰাজ্য কেনেদৰে পাহাৰ-পৰ্বত, সমভূমি আৰু মালভূমিৰে আবৃত বা গঠিত সেই বিষয়ে জানি লওঁ আহা —






**সিপিঠিৰ মানচিত্ৰখন অধ্যয়ন কৰি তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া—**

(ক) উত্তৰ-পূব ভাৰতৰ কোনখন ৰাজ্য প্ৰধানকৈ মালভূমিৰে আবৃত?

(খ) উত্তৰ-পূব ভাৰতৰ কোনখন ৰাজ্যত সমভূমি আছে?

(গ) অৰুণাচল প্ৰদেশৰ কোন দিশত হিমালয় পৰ্বতমালা অৱস্থিত?

উত্তৰ-পূব ভাৰতত সৰু-বৰ বহুতো নদী-উপনদী আছে। ব্ৰহ্মপুত্ৰ উত্তৰ-পূব ভাৰত তথা সমগ্ৰ ভাৰতবৰ্ষৰে অন্যতম প্ৰধান নৈ। অসমৰ আনখন প্ৰধান নৈ হ'ল বৰাক। ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ অসংখ্য উপনৈ আছে।

**লোহিত, সোৱণশিৰি, জীয়াভৰলী, জীয়া ধণশিৰি, মানাহ, বুঢ়ীদিহিং, দিখৌ আদি ব্ৰহ্মপুত্ৰ নৈৰ উপনৈ। আনহাতে বৰাকৰ উপনৈবোৰৰ ভিতৰত জীৰি, জাটিংগা, সোণাই, ধলেশ্বৰী আদিয়েই প্ৰধান।**

উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনত বিভিন্ন জনগোষ্ঠীৰ লোক বসবাস কৰে। এই ৰাজ্যকেইখনৰ মাজত বেহা-বেপাৰ আৰু সাংস্কৃতিক সম্পৰ্ক আছে।

**এই ৰাজ্যকেইখনত বাস কৰা কিছুমান জনগোষ্ঠীৰ নাম জানি লওঁ আহা —**

| | |
|---|---|
| অৰুণাচল প্ৰদেশ | আদি, নিচি, আপাটানি, মনপা আদি |
| মেঘালয় | খাচী, গাৰো, জয়ন্তীয়া আদি |
| মিজোৰাম | মিজো, মাৰ আদি |
| নাগালেণ্ড | আংগামী, চেমা, আও আদি |
| মণিপুৰ | মণিপুৰী, কুকি, কাবুই আদি |
| ত্ৰিপুৰা | ত্ৰিপা, ৰিয়াং, ৰাংখল আদি |

উত্তৰ-পূব ভাৰতৰ পাহাৰ আৰু ভৈয়াম উভয় অঞ্চলৰ অৰ্থনীতি প্ৰধানতঃ কৃষিভিত্তিক। শতকৰা ৭০ ভাগৰো অধিক মানুহে কৃষিৰ ওপৰতে জীৱিকা নিৰ্বাহ কৰি আছে। ইয়াৰ সমতল ভূমি বেছি থকা ৰাজ্যকেইখন কৃষিৰ ক্ষেত্ৰত আগবঢ়া। অসম, মণিপুৰ আৰু ত্ৰিপুৰাত ধান, মাহজাতীয় শস্য, কুঁহিয়াৰ আদিৰ খেতি বেছিকৈ হয়। কিন্তু পাহাৰীয়া ৰাজ্যকেইখনত ফল-মূল, আলু, মাকৈ, কচু, কল, কঁঠাল আদি বেছিকৈ হয়। পাহাৰীয়া ৰাজ্যকেইখনত কম-বেছি পৰিমাণে জুম পদ্ধতিৰে খেতি কৰা হয়। উত্তৰ-পূব ভাৰতত সকলো শস্যৰ ভিতৰত ধানৰ উৎপাদন বেছি। অন্য ৰাজ্যৰ তুলনাত অসমতে ধান, ঘেঁহু, মৰাপাট আদি শস্যৰ উৎপাদন বেছি। আনহাতে কপাহ উৎপাদনত মেঘালয় আগবঢ়া। ঠিক তেনেদৰে ৰবৰ উৎপাদনৰ ক্ষেত্ৰত অন্য ৰাজ্যৰ তুলনাত ত্ৰিপুৰা আগবঢ়া। চাহ উৎপাদনৰ ক্ষেত্ৰত অসম ভাৰতৰ ভিতৰতেই প্ৰথম।






উত্তৰ-পূব ভাৰতত বাস কৰা বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ নিজা নিজা ভাষা, ৰীতি-নীতি, সাজ-পাৰ, উৎসৱ আদি আছে। অসমৰ এই চুবুৰীয়া ৰাজ্যসমূহৰ জনগোষ্ঠীয় লোকসকলৰ নিজা নিজা ভাষা থকাৰ উপৰি তেওঁলোকৰ মাজত ইংৰাজী, অসমীয়া, মণিপুৰী, নেপালী, বঙালী ভাষাৰ প্ৰচলনো দেখা যায়। তেওঁলোকৰ বহুতৰে খোৱা-লোৱা, পিন্ধন-উৰণ, শাৰীৰিক গঠন, আচাৰ-ব্যৱহাৰ আদি বেলেগ বেলেগ। আমাৰ চুবুৰীয়া ৰাজ্যৰ মহিলাসকল পাকৈত শিপিনী। আমাৰ দৰে তেওঁলোকেও বিভিন্ন উৎসৱ পালন কৰে। অৰুণাচলৰ লোকসকলৰ 'দন্‌য়িপ'ল', খাচীসকলৰ 'নংক্ৰেন', মেঘালয়, নাগালেণ্ড আৰু মিজোৰামৰ লোকসকলৰ 'বৰদিন' উৎসৱ আদিয়েই প্ৰধান। মণিপুৰী নৃত্য, মিজো আৰু নগাসকলৰ বাঁহ নৃত্য, অসমৰ সত্ৰীয়া নৃত্য, বিহু নৃত্য অন্যতম।






আমাৰ চুবুৰীয়া ৰাজ্যসমূহৰ বাসিন্দাসকলৰ প্ৰধান খাদ্য হৈছে ভাত, মাছ, মাংস, শাক-পাচলি আদি। ইয়াৰ বাসিন্দাসকল বৰ পৰিশ্ৰমী। পাহাৰীয়া অঞ্চলৰ বেছিভাগ লোকে সাধাৰণতে বাঁহ, কাঠ, খেৰ আদিৰে চাং-ঘৰ সাজি লোৱা দেখা যায়।

➢ তোমাৰ অঞ্চলত কি কি ভাষা কোৱা লোক আছে?

উত্তৰ-পূব ভাৰতৰ ভিতৰত ৰাজ্যসমূহৰ কিছুমান বৈশিষ্ট্য আছে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল নদ-নদী, পৰ্বত-পাহাৰেৰে ভৰা আৰু বিভিন্ন জনগোষ্ঠীৰ বসতিস্থল। মেঘালয়ৰ মৌছিনৰামত পৃথিৱীৰ ভিতৰতে আটাইতকৈ বেছি বৰষুণ হয়। এই ৰাজ্যত প্ৰচুৰ পৰিমাণে কয়লা পোৱা যায়। মণিপুৰত বিখ্যাত লক্‌টক হ্ৰদ আছে। ত্ৰিপুৰাত বাঁহ, বেত আৰু ঔষধি উদ্ভিদ প্ৰচুৰ পৰিমাণে পোৱা যায়। অসমৰ কাজিৰঙা বিশ্বৰ প্ৰাকৃতিক ঐতিহ্যৰ থলী। এই ৰাজ্যৰ মাজুলী এটা বৃহত্তম নদী-দ্বীপ। অৰুণাচলৰ টাৱাং, অসমৰ হাফলং, মেঘালয়ৰ ছিলং অতি স্বাস্থ্যকৰ ঠাই। এনেধৰণৰ অনেক বৈশিষ্ট্যৰে ভৰি থকা বাবে উত্তৰ-পূৰ্বাঞ্চল এক বৈচিত্ৰ্যময় অঞ্চল হিচাপে পৰিচিত।



উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহত থকা কিছুমান প্ৰাকৃতিক ঐতিহ্যপূৰ্ণ স্থানৰ বিষয়ে জানি লওঁ আহা —

- অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৃথিৱী বিখ্যাত।


কাজিৰঙা


মাজুলী

- মাজুলীৰ নদী-দ্বীপ বিশ্বৰ ভিতৰতে ডাঙৰ।

- মেঘালয়ৰ মৌছিনৰামত পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছি বৰষুণ হয়। তাৰ উপৰি ছিলং এখন স্বাস্থ্যকৰ ঠাই।


ছিলং

- মণিপুৰ ৰাজ্যত প্ৰায় ১০০ বৰ্গ কিলোমিটাৰ ঠাই আগুৰি থকা লক্‌টক এটা প্ৰাকৃতিকভাৱে হোৱা বৃহৎ হ্ৰদ।


লক্‌টক হ্ৰদ

- অৰুণাচল প্ৰদেশৰ টাৱাং, বমডিলা, পৰশুৰাম কুণ্ড আদি প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰা স্বাস্থ্যকৰ ঠাই।


পৰশুৰাম কুণ্ড


টাৱাং


ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ এই ঐতিহ্যপূৰ্ণ স্থানসমূহ পৰ্যটকৰ বাবে আকৰ্ষণীয় কেন্দ্ৰ হিচাপে গঢ়ি উঠিছে। সেইবোৰ চাবলৈ দেশ-বিদেশৰ পৰা পৰ্যটকসকল ইয়ালৈ আহে।



**ক্ৰিয়াকলাপ**

— অসমত আৰু কি কি ঐতিহ্যপূৰ্ণ স্থান আছে তাৰ এখন তালিকা প্ৰস্তুত কৰা।

**(শিক্ষক-শিক্ষয়িত্ৰীৰ সহায়ত)**




**ক্ৰিয়াকলাপ**

- ➤ বিন্দুবোৰ লগ লগাই মানচিত্ৰখন সম্পূৰ্ণ কৰা।
- ➤ মানচিত্ৰখনৰ চাৰিসীমাত থকা ৰাষ্ট্ৰ/ৰাজ্যবোৰৰ নাম লিখা।
- ➤ মানচিত্ৰখনৰ যথাস্থানত ৰাজ্যসমূহৰ নাম লিখা।
- ➤ সাতোখন ৰাজ্য সাতোটা বেলেগ বেলেগ ৰঙেৰে দেখুওৱা।
- ➤ উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ নাম ৰাজধানীৰ সৈতে নিজৰ বহীত লিখা।

**শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি—**

ছাত্ৰ-ছাত্ৰীসকলক অসমৰ মানচিত্ৰখন নিজৰ বহীত আঁকিবলৈ অভ্যাস কৰাব।



## অনুশীলনী

১। উত্তৰ লিখা—

(ক) উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ নাম লিখা।
(খ) উত্তৰ-পূব ভাৰতৰ কেইটামান জনগোষ্ঠীৰ নাম লিখা।
(গ) উত্তৰ-পূব ভাৰতক সাতভনীৰ দেশ বুলি কিয় কোৱা হয়?
(ঘ) ব্ৰহ্মপুত্ৰ নৈৰ ৪খন উপনৈৰ নাম লিখা।
(ঙ) মণিপুৰ ৰাজ্যত থকা দুখন পাহাৰৰ নাম লিখা।

২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| অৰুণাচল প্ৰদেশ | কহিমা |
| মিজোৰাম | আগৰতলা |
| নাগালেণ্ড | ইম্ফল |
| ত্ৰিপুৰা | আইজল |
| মণিপুৰ | ইটানগৰ |

৩। খালী ঠাই পূৰ কৰা—

(ক) ________ বিশ্বৰ ভিতৰতে ডাঙৰ নদী দ্বীপ।
(খ) মণিপুৰ ৰাজ্যৰ ________ হ্ৰদ প্ৰাকৃতিকভাৱে হোৱা এক বৃহৎ হ্ৰদ।
(গ) ছিলং এখন ________ ঠাই।
(ঘ) অৰুণাচল প্ৰদেশৰ ________ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা ঠাই।
(ঙ) প্ৰায় সমগ্ৰ মিজোৰাম ৰাজ্যখনেই ________ ।

৪। তলত দিয়া বাক্যকেইটাৰ পৰা অশুদ্ধবোৰ বাচি উলিয়াই শুদ্ধকৈ লিখা —

(ক) বৰ্তমান অৰুণাচল প্ৰদেশ আগতে নগা পাহাৰ নামেৰে অসমৰ অংগ আছিল।
(খ) কাৰ্বি আংলং জিলা সমতলভূমিৰে গঠিত।
(গ) অৰুণাচল প্ৰদেশৰ দক্ষিণ অঞ্চলত হিমালয় পৰ্বতমালা অৱস্থিত।
(ঘ) ত্ৰিপুৰা ৰাজ্যখন সমতলভূমিৰে আবৃত।
(ঙ) মণিপুৰৰ সৌমাজৰ অংশ প্ৰায় পাহাৰীয়া।

৫। ভাৰতৰ উত্তৰ-পূবৰ ৰাজ্যসমূহ পৰ্যটকৰ বাবে কিয় আকৰ্ষণীয় লিখা?

৬। কোন কেইখন ৰাজ্যক একেলগে 'উত্তৰ-পূব ভাৰত' বুলি কোৱা হয়?

◆◆◆◆◆